# কৃতজ্ঞতা স্বীকাৰ

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত এম. ফিল. পাঠ্যক্ৰমৰ ছাত্ৰী হিচাপে নাম ভৰ্ত্তি কৰাৰ পিছতে বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষই আমাক 'জয়ৰামকুচি অঞ্চলৰ মায়তৰি ৰাভা ভাষাৰ ভাষাতাত্ত্বিক অধ্যয়ন' শীৰ্ষক বিষয়ত গৱেষণা কৰ্মৰ বাবে অনুমতি প্ৰদান কৰা হেতুকে বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষৰ ওচৰত আমি চিৰ কৃতজ্ঞ। জয়ৰামকুচি অঞ্চলৰ মায়তৰি ৰাভা ভাষাৰ ভাষাতাত্ত্বিক অধ্যয়ন শীৰ্ষক গৱেষণাগ্ৰন্থ প্ৰস্তুত কাৰ্য্যত প্ৰতিটো পদক্ষেপতে প্ৰয়োজনীয় দিহা-পৰামৰ্শৰে উপকৃত কৰা মোৰ গৱেষণাৰ তত্বাবধায়িকা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিষয়ৰ বিভাগীয় মুৰব্বী শ্ৰদ্ধাৰ ড° চুমী কলিতা বাইদেউক সশ্ৰদ্ধ কৃতজ্ঞতা জনাইছোঁ। বিভিন্ন সময়ত বিদ্যায়তনিক দিহাৰে উপকৃত কৰা অসমীয়া বিভাগৰ আন আন শিক্ষক সকলকো আন্তৰিক কৃতজ্ঞতা জনালোঁ। বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ সন্মানীয় পঞ্জীয়ক মহাশয়, কৰ্মচাৰী সকল, বিভাগীয় অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰী, পুথিভঁৰালৰ কৰ্মীবৃন্দ, কম্পিউটাৰ বিজ্ঞান বিভাগৰ অধ্যাপক সকলৰ প্ৰতিও আমাৰ কৃতজ্ঞতা থাকিল। আমাৰ গৱেষণাৰ ক্ষেত্ৰস্থল, জয়ৰামকুচি অঞ্চলৰ অতীত, বৰ্তমান সম্পৰ্কত আমাক তথ্য আগবঢ়োৱা গাওঁখনৰ সমাজ সচেতন ব্যক্তি ধৰ্মেশ্বৰ ৰাভা, পেট্ৰিয়ট ৰাভা, মোৰ শহুৰ, মোৰ দেউতা, মোৰ বাইদেউ ড° নীলপদ্মিনী ৰাভা, মোৰ শিক্ষাগুৰু ড° এ. আৰ. ৰহমান আৰু ডি.টি.পি. কৰা ওৱাজেদুৰ ৰহমান খান আৰু মনোজ ভাইটিলৈকো বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সৰ্বশেষত মোৰ স্বামী শ্ৰী ধ্ৰুৱনাৰায়ণ ৰাভা, যাৰ প্ৰেৰণা আৰু সাহসে এই গৱেষণা কাৰ্য্য সম্ভৱ কৰি তুলিলে, তেখেতলৈও মোৰ কৃতজ্ঞতা যাচিছোঁ।

তাৰিখ ঃ

(পৰ্চিয়া ৰংখ)